# ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণ

## সৰলীকৃত আৱশ্যকীয় তথ্য



**১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী**ত নাইবা **১৯৭১ চনৰ ২৪ মাৰ্চ** (মাজনিশা)ৰ আগতে প্ৰকাশিত ভোটাৰ তালিকাৰ যিকোনো এখনত নাইবা ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ পূৰ্বে প্ৰদান কৰা **অন্যান্য গ্ৰহণযোগ্য নথিসমূহ**ৰ যিকোনো এটাত যিসকল ব্যক্তি বা তেওঁলোকৰ বংশধৰসকলৰ নাম অন্তৰ্ভূক্ত হৈ আছে অৰ্থাৎ যিসকল ব্যক্তি বা তেওঁলোকৰ বংশধৰসকল ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা) বা তাৰ আগতে অসমত বসবাস কৰি থকাতো প্ৰমাণিত হৈছে, সেইসকল ব্যক্তিৰ নাম অন্তৰ্ভূক্ত কৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) উন্নীতকৰণ কৰা হ'ব। অন্যান্য গ্ৰহণযোগ্য নথিসমূহ তলত উল্লেখ কৰা হ'লঃ

| | | | |
|---|---|---|---|
| ১) | **ভূমিস্বত্বৰ/ৰায়তীস্বত্বৰ নথিপত্ৰ** | ৭) | **চৰকাৰৰ দ্বাৰা প্ৰদত্ত অনুজ্ঞাপত্ৰ/প্ৰমাণপত্ৰ** |
| ২) | **নাগৰিকত্বৰ প্ৰমাণপত্ৰ** | ৮) | **চৰকাৰী/ৰাজহুৱা খণ্ডৰ নিযুক্তি সম্পৰ্কীয় প্ৰমাণপত্ৰ** |
| ৩) | **স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ** | ৯) | **বেঙ্ক/ডাকঘৰৰ হিচাবৰ নথিপত্ৰ** |
| ৪) | **শৰণাৰ্থী পঞ্জীয়ণ প্ৰমাণপত্ৰ** | ১০) | **জন্মৰ প্ৰমাণপত্ৰ** |
| ৫) | **পাৰপত্ৰ (পাছপোৰ্ট)** | ১১) | **বোৰ্ড/বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰমাণপত্ৰ** |
| ৬) | **ভাৰতীয় জীৱন বীমা নিগমৰ বীমা পলিচি** | ১২) | **আদালতৰ নথি /আদালতৰ প্ৰক্ৰিয়াজনিত নথি** |

ওপৰোক্ত নথিসমূহৰ উপৰিও নিম্নলিখিত নথিসমূহ সমৰ্থনমূলক নথি হিচাপে গণ্য কৰা হ'ব -

(১) বিবাহ সূত্ৰে স্থানান্তৰিত মহিলাসকলৰ সন্দৰ্ভত ৰাজহ বিষয়া/গাঁও পঞ্চায়তৰ সচিবৰ দ্বাৰা প্ৰদত্ত প্ৰমাণপত্ৰ।

(২) ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগতে প্ৰদান কৰা ৰেচন কাৰ্ড।

সেয়েহে উন্নীতকৰিবলগীয়া এই ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্ত কৰিবলৈ দুটা চৰ্তৰ প্ৰয়োজন - (১) ১৯৭১ চনৰ পূৰ্বৰ নথিপত্ৰত ব্যক্তি এজনৰ নামৰ উল্লেখ আৰু (২) তেনে নথিত নাম থকা ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰৰ প্ৰমাণ। এন আৰ চিত নাম অন্তৰ্ভূক্ত কৰিবলৈ নাগৰিকসকলে (একোটা পৰিয়াল হিচাপে) আবেদনপত্ৰ জমা কৰিব লাগিব।

### এন আৰ চি উন্নীতকৰণৰ সন্দৰ্ভত অন্যান্য গুৰুত্বপূৰ্ণ তথ্য ঃ

- আবেদনপত্ৰ জমা দিয়া আৰু জমা দিবলগীয়া তাৰিখ সম্পৰ্কে পৃথকভাৱে প্ৰচাৰ মাধ্যমত বিজ্ঞাপন প্ৰকাশ কৰা হ'ব।
- ১৯৫১ চনৰ এন আৰ চি বা ১৯৭১ চনৰ পূৰ্বৰ ভোটাৰ তালিকাসমূহত নাম, বয়স আদি ভুলকৈ ছপা হৈ থাকিলেও আবেদনকাৰীসকলে ক্ষেত্ৰ পৰ্য্যায়ৰ পৰীক্ষণৰ সময়ত প্ৰকৃত ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপনৰ পৰ্য্যাপ্ত সুবিধা পাব।
- ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ পূৰ্বৰ যিকোনো সময়ৰ গ্ৰহণযোগ্য নথিপত্ৰ এন আৰ চিত নাম অন্তৰ্ভূক্তিত যোগ্যতা অৰ্জনৰ বাবে পৰ্য্যাপ্ত হ'ব। কেৱল ১৯৬৬ চনৰ ভোটাৰ তালিকাই গ্ৰহণযোগ্য হ'ব বুলি হোৱা অপপ্ৰচাৰ সম্পূৰ্ণ ভিত্তিহীন।
- ১৯৫১ চনৰ এন আৰ চি আৰু ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ পূৰ্বৰ ভোটাৰ তালিকাসমূহক একেলগে লিগেচি ডাটা বোলা হয়।

Exclusive/NRC/04-2015/05

| | | | |
|---|---|---|---|
| **বিশদভাবে জানিবলৈ আৰু সহায়ৰ বাবে** | **আমাৰ টোল ফ্ৰী/ হেল্পলাইন নম্বৰ ১৫১০৭ (15107)** | **আমাৰ ৱেবচাইট www.nrcassam.nic.in** | **ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।** |